# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-11-2024
**Time :** 1800 Hrs

## ***Assamese Evening Bulletin***

**- - - - - - - - - - - - -**

ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ ২৪ ঘণ্টা বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ হৈ ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিহালী সমষ্টিত দিগন্ত ঘাটোৱালৰ হৈ প্ৰচাৰ চলায়। মন্ত্ৰীগৰাকীয়ে বেদেতিত আয়োজিত এখন জনসভাত অংশ লয়। একেদৰে মন্ত্ৰী কেশম মহন্তই চামগুৰি সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ সমৰ্থনত কলিয়াবৰৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি ধলাই সমষ্টিত এটা মটৰ চাইকেল সমদলত অংশ লোৱাৰ পাছত এখন নিৰ্বাচনী সভাত ৰাইজক সম্বোধি ভাষণ দিয়ে।

কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়ে বিহালীত দলীয় প্ৰাৰ্থীৰ হৈ এটা পদযাত্ৰাত অংশ লয়। সাংসদ ৰকিবুল হুছেইনে চামগুৰি সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। ইপিনে, কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি বিহালীত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। ইপিনে, বিহালীত আম আদমী পাৰ্টীয়ে সমষ্টিটোৰ প্ৰাৰ্থী অনন্ত গগৈৰ নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে আজি গেৰাণ্টি কাৰ্ড মুকলি কৰে। সমষ্টিটোৰ বৰগাঁওত অনুষ্ঠিত সংবাদমেলত দলৰ ৰাষ্ট্ৰীয় নেতা তথা উত্তৰ-পূবৰ তত্বাৱধায়ক ৰাজেশ শৰ্মা আৰু ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে পাঁচদফীয়া গেৰাণ্টি কাৰ্ড মুকলি কৰে। এই কাৰ্ডত সমষ্টিটোৰ স্বাস্থ্য, শিক্ষা আৰু পথ উন্নয়নৰ লগতে বিহালী সমষ্টিৰ সংলগ্ন আন্তঃৰাজ্যিক সীমান্ত সুৰক্ষাৰ ব্যৱস্থা কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া হৈছে।

চামগুৰিত নিৰ্বাচনী প্ৰচাৰৰ সময়ত কালি সংঘটিত ৰাজনৈতিক হিংসাৰ ঘটনা সন্দৰ্ভত আজি বিজেপিয়ে কংগ্ৰেছ দলৰ বিৰুদ্ধে অভিযোগ তুলি নগাঁৱৰ ৰিটাৰ্ণিং বিষয়াৰ ওচৰত স্মাৰক-পত্ৰ দাখিল কৰিছে। মন্ত্ৰী বিমল বৰা আৰু বিধায়ক ৰূপক শৰ্মাই এই পত্ৰ দাখিল কৰে। উল্লেখযোগ্য যে যোৱা নিশা চামগুৰিৰ পুঠিখাইটিত বিধায়ক জিতু গোস্বামীৰ গাড়ীলৈ দুৰ্বৃত্তৰ গুলীচালনাৰ ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইয়াকে লৈ সমষ্টিটোত কংগ্ৰেছ আৰু বিজেপিৰ সমৰ্থকৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয়। এই ঘটনাত কংগ্ৰেছৰ তিনিজন আৰু বিজেপিৰ দুজন লোক আহত হয়। অৱশ্যে ঘটনাৰ সম্ভেদ পাই আৰক্ষী ততালিকে সেই স্থানত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চামগুৰিত একাংশ কংগ্ৰেছ সমৰ্থকে বিধায়ক জিতু গোস্বামীক আক্ৰমণ কৰা ঘটনাক গৰিহণা দিছে। এই ঘটনাই দলটোৰ নিৰাশাকে প্ৰতিফলিত কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। ইয়াৰ বিপৰীতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই চামগুৰি

সমষ্টিৰ দলৰ প্ৰাৰ্থী তানজিল হুছেইনক ভাবুকি দিয়া বুলি বিজেপিৰ বিৰুদ্ধে অভিযোগ তোলে। তেওঁ এই ঘটনাৰ দোষীক কৰায়ত্ত কৰি শাস্তি বিহাৰ বাবে অসম আৰক্ষীক আহ্বান জনায়।

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত অহা ১৫ নৱেম্বৰৰ পৰা শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলিছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত ৰাস সমিতিসমূহৰ উদ্যোগত ৰাসৰ আখৰাকে ধৰি অন্যান্য প্ৰস্তুতি চলাই থকা হৈছে। মহানগৰীৰ ওদালবাক্ৰাত জনজাতীয় যুৱ কল্যাণ পৰিষদৰ উদ্যোগত আয়োজন কৰা ৰাস মহোৎসৱত ১৫০টা মৃণ্ময় মূৰ্তিৰে শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ পালন কৰা হ'ব। শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা এই ৰাসলীলা বা ৰাস মহোৎসৱ উপলক্ষে মাজুলীকে ধৰি ৰাজ্যৰ অন্যান্য অঞ্চলসমূহতো উৎসাহ উদ্দীপনাৰ সৃষ্টি হৈছে। মাজুলীৰ দক্ষিণপাট সত্ৰৰ লগতে গড়মুৰ, আউনীআটী, বেঙেনাআটী, কমলাবাৰী আদি সত্ৰত পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা ৰাস উৎসৱ মাজুলীৰ অন্যতম উৎসৱ আৰু দেশ বিদেশৰ পৰ্যটকসকলকো এই উৎসৱৰ বাৰেৰহনীয়া পৰম্পৰাই আকৰ্ষিত কৰে।

উজনি অসমৰ লখিমপুৰকে ধৰি আন কেইবাখনো ঠাইত ৰাসলীলা উদ্‌যাপনৰ বাবে আখৰাকে ধৰি প্ৰস্তুতি চলি আছে। নামনি অসমৰ হাউলী, নলবাৰী, বজালীকে ধৰি বিভিন্ন অঞ্চলত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উপলক্ষে যথাবিহিত ৰীতি-নীতিৰে পূজা অৰ্চনাৰ লগতে মৃণ্ময় মূৰ্তিৰ সহায়ত ৰাসলীলা পৰিবেশন কৰা হয়। বৰ্তমান সময়ত আটকধুনীয়া আলোকসজ্জা আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰি এই ৰাসলীলা উপভোগ্য কৰি তোলা হয়।

০০০০০০০

মাজুলীৰ ঐতিহাসিক আউনীআটি সত্ৰত প্ৰতিষ্ঠাকালৰে পৰাই পাৰম্পৰিকভাৱে পালন কৰি অহা পালনাম মহোৎসৱৰ বাবে প্ৰস্তুতি চলি আছে। প্ৰতি বছৰে কাতি মাহৰ ২৫ তাৰিখৰ পৰা ২৯ তাৰিখলৈ সত্ৰখনত পাঁচদিনীয়াকৈ পালনামৰ আয়োজন কৰা হয় যদিও চলিত বৰ্ষত আজিৰে পৰা অৰ্থাৎ ২৪ কাতিৰ পৰা এই মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ উদ্দেশ্যে ভকত বৈষ্ণৱক আদৰিবলৈ সত্ৰখনৰ বৈষ্ণৱসকলৰ বহা আৰু চৌপাশ আটকধুনীয়াকৈ সজাই তোলা হৈছে। আউনীআটি সত্ৰৰ পালনাম উৎসৱৰ বিষয়ে সত্ৰখনৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীয়ে এনেদৰে কয়-

**বাইট (পীতাম্বৰ দেৱগোস্বামী)**

০০০০০০০

সমাপ্ত